# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-02-2026
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

০০০০০০০

অহা ৯ ফেব্ৰুৱাৰীত চাহ শ্ৰমিকৰ মাটিৰ পট্টাৰ বাবে কেন্দ্ৰীয়ভাৱে প্ৰ-পত্ৰ বিতৰণ কৰা হ'ব। সেই দিনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ৰ দিনজয় চাহ বাগিচাৰ পৰা কেন্দ্ৰীয়ভাৱে প্ৰ-পত্ৰ বিতৰণৰ কামৰ শুভাৰম্ভ কৰিব। ৰাজ্যৰ ৮৩৬ খন বাগিচাত প্ৰ-পত্ৰ বিতৰণৰ কাম আৰম্ভ হ'ব। পট্টন পোৱা ভূমি ২০ বছৰলৈ বিক্ৰী কৰিব নোৱাৰিব আৰু ২০ বছৰ পাছত বিক্ৰী কৰিবলগীয়া হ'লে একেখন বাগিচাৰ শ্ৰমিককহে বিক্ৰী কৰিব পাৰিব। ইপিনে, বাগান কৰ্তৃপক্ষ আৰু প্ৰতিনিধিসকলক এই আঁচনিৰ বিষয়ে অৱগত কৰাবৰ বাবে শিৱসাগৰ জিলা কাৰ্যালয়ত কালি এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত নাজিৰা সমজিলা আয়ুক্ত, চক্ৰ বিষয়া, সহকাৰী আয়ুক্ত, খণ্ড উন্নয়ন বিষয়া, চাহ বাগিচাৰ বিষয়ববীয়া, চাহ শ্ৰমিকৰ প্ৰতিনিধি আৰু অন্যান্য কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। কাৰ্যসূচী সফল কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰতিখন বাগিচাৰ তত্বাৱধান কৰিবৰ বাবে এজনকৈ বিষয়া নিয়োগ কৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি তিতাবৰ বিধানসভা সমষ্টিৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পৰ খেল-পথাৰত আয়োজিত এটা অনুষ্ঠানত  ৩৫ হাজাৰৰো অধিক মহিলাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে মহিলাসকলক এই সাহায্য আৰ্থিক প্ৰগতিৰ বাবে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়ে। যিসকল মহিলাই এই ধন প্ৰগতিৰ বাবে ব্যৱহাৰ কৰি চৰকাৰক ইতিবাচক ফলাফল দেখুৱাবলৈ সক্ষম হয় তেওঁলোকক পৰৱৰ্তী পৰ্যায়ত ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। এই ধনৰ পৰিমাণ পৰৱৰ্তী পৰ্যায়ত পুনৰ বৃদ্ধি হ'ব বুলিও তেওঁ প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে ড° শৰ্মাই দেৰগাঁৱত মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ সদস্যাসকলৰ মাজত চেক বিতৰণ কৰে। এই উপলক্ষে লাচিত বৰফুকন পুলিচ একাডেমী ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে মহিলাসকলক এই ধনৰাশিৰ সদ্ব্যৱহাৰেৰে স্বাৱলম্বী হ'বলৈ আহ্বান জনায়। মহিলাসকল আৰ্থিকভাৱে সবল হ'লেহে গ্ৰাম্য অৰ্থনীতি টনকিয়াল হ'ব বুলি ড° শৰ্মাই উল্লেখ কৰে।

০০০০০০০

আকাশবাণীৰ লেখনিক আকাশবাণীৰ সাহিত্য হিচাপে গন্য কৰিব পাৰি। শিৱসাগৰত অনুষ্ঠিত ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱত কালি আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ উদ্যোগত ৰেডিঅ' সাহিত্য শীৰ্ষক আলোচনা চক্ৰত এই বিষয়ে আলোচনা কৰা হয়। আকাশবাণী ডিব্ৰুগড় আৰু দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান বিভাগৰ মুৰববী লোহিত

ডেকাৰ পৌৰহিত্যত অনুষ্ঠিত আলোচনাত চক্ৰত অংশগ্ৰহণ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক সত্যকাম বৰঠাকুৰে কয়, যে অনাতাঁৰৰ বিভিন্ন অনুষ্ঠানৰ বাবে লিখা লেখনিসমূহ আনতকৈ সদায় পৃথক আৰু সেয়ে এই লেখাসমূহক আকাশবাণীৰ সাহিত্য হিচাপে বিবেচনা কৰা উচিত। অনুষ্ঠানত অংশ লৈ বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ কৰবী ডেকা হাজৰিকাই অসমীয়া আধুনিক গীতক আকাশবাণীয়ে বিশেষ মাত্ৰা প্ৰদান কৰা বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ কয়, যে আকাশবাণীত প্ৰচাৰৰ পাছতহে অসমীয়া গীতৰ কথাসমূহ গীতি সাহিত্যলৈ পৰিণত হ'ব পাৰে। এই গীতৰ কথাত সময়, প্ৰকৃতি, সংস্কৃতি, ইতিহাস, পৰম্পৰা আৰু বিশেষকৈ পৰিৱৰ্তিত অসমীয়া সমাজক অতি সুন্দৰভাৱে তুলি ধৰা হৈছে বুলি শিক্ষাবিদগৰাকীয়ে প্ৰকাশ কৰে।

ooooooo

আধাৰশিলা ট্ৰাষ্টৰ উদ্যোগত আৰু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সহযোগিতাত অনুষ্ঠিত ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱত কালি **শিল্পীৰ পৃথিৱী ঃ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কলা, সমাজ আৰু মানৱতাৰ দৰ্শন** শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হয়। অসমৰ সাহিত্য আৰু সাংস্কৃতিক ঐতিহ্যক নতুন দৃষ্টিভংগীৰে উপস্থাপন কৰাৰ লক্ষ্যৰে অনুষ্ঠিত এই আলোচনা সত্ৰত দিগন্ত বিশ্ব শৰ্মা আলোচক হিচাপে উপস্থিত থাকে। শ্ৰীশৰ্মাই জ্যোতিপ্ৰসাদ আগৰৱালাৰ শিল্প চিন্তা, সমাজবোধ আৰু মানৱতাবোধৰ চেতনাৰ বিষয়ে আলোচনা কৰে।

***বাইট***

ooooooo

শিৱসাগৰৰ পিয়লি ফুকন ষ্টেডিয়ামৰ জননেতা প্ৰণৱজিৎ চলিহা ক্ষেত্ৰত কালিৰে পৰা ৬০ সংখ্যক সদৌ অসম আন্তঃজিলা চিনিয়ৰ পুৰুষ-মহিলা ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। শিৱসাগৰ ভলীবল ক্লাবৰ উদ্যোগত তথা শিৱসাগৰ ক্ৰীড়া সন্থাৰ সহযোগত আয়োজিত এই প্ৰতিযোগিতাত ৰাজ্যৰ ২৪টাৰো অধিক দলে অংশগ্ৰহণ কৰিছে। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি কালি ৬০খন পতাকা উত্তোলন কৰা হয়। কাইলৈ এই প্ৰতিযোগিতাখনৰ সামৰণি পৰিব।

oooooo

**সমাপ্ত**